**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-06-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিগত ১১ বছৰত দেশৰ প্ৰতিৰক্ষা খণ্ডত অভূতপূৰ্ব পৰিৱৰ্তন হৈছে বুলি প্ৰকাশ কৰিছে।

২। ভাৰতে কোনো ধৰণৰ সন্ত্ৰাসবাদী কাৰ্যকলাপ সহ্য নকৰে আৰু সন্ত্ৰাসবাদ দমনৰ বাবে কঠোৰ ব্যৱস্থা অব্যাহত ৰাখিব বুলি কেন্দ্ৰীয় গৃহ পৰিক্ৰমা ৰাজ্য মন্ত্ৰী নিত্যানন্দ ৰায়ে প্ৰকাশ কৰিছে।

৩। ভাৰতীয় মহাকাশচাৰী শুভাংশু শুক্লাক মহাকাশলৈ কঢ়িয়াই নিব লগা AXIOM-4 অভিযান বেয়া বতৰৰ পৰিপ্ৰেক্ষিতত সাময়িকভাৱে পিছুৱাই দিয়া হৈছে।

৪। অসমৰ সাম্প্ৰতিক বান পৰিস্থিতি পূৰ্বতকৈ উন্নত হৈছে যদিও ৯ খন জিলাৰ ১ লাখ ৩৮ হাজাৰৰো অধিক লোক এতিয়াও বানৰ কবলত আছে।

আৰু

৫। ভাৰতৰ পুৰুষ দলটো আজি ২০২৭ চনৰ এ এফ চি এছিয়ান কাপ ফুটবল প্ৰতিযোগিতাৰ বাবে যোগ্যতা নিৰ্ণয়কাৰী চূড়ান্ত পৰ্যায়ৰ এখন খেলত হংকঙৰ মুখামুখি হ'ব।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিগত ১১ বছৰত দেশৰ প্ৰতিৰক্ষা খণ্ডত অভূতপূৰ্ব পৰিৱৰ্তন হৈছে বুলি প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয়, যে প্ৰতিৰক্ষা উৎপাদনত সম্প্ৰতি আধুনিকীকৰণ আৰু আত্মনিৰ্ভৰতাক গুৰুত্ব দিয়া হৈছে। তেওঁ কয়, যে দেশক শক্তিশালী কৰাৰ ক্ষেত্ৰত সমগ্ৰ ভাৰতবাসীয়ে ঐক্যবদ্ধহৈ কাম কৰিছে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বিগত ১১ বছৰত ভাৰতৰ প্ৰতিৰক্ষা খণ্ডই ঐতিহাসিক পৰিৱৰ্তনৰ দিশে ধাবিত হৈছে বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী সিঙে কয়, যে প্ৰধানমন্ত্ৰীৰ নেতৃত্বত সীমান্ত শক্তিশালী হোৱাৰ উপৰি সশস্ত্ৰ বাহিনীৰ আধুনিকীকৰণ, স্থানীয় ভাবে নিৰ্মিত অস্ত্ৰ, প্ৰতিৰক্ষা উৎপাদনৰ ৰপ্তানিৰ অভিলেখ আৰু বিশ্বজোৰা আস্থা দেশবাসীয়ে দেখিবলৈ পাইছে। এই সময়ছোৱাত প্ৰতিৰক্ষা খণ্ড আত্মনিৰ্ভৰশীল হৈ উঠা বুলিও শ্ৰী সিঙে প্ৰকাশ কৰে।

০০০০০০০০০

ভাৰতে কোনো ধৰণৰ সন্ত্ৰাসবাদী কাৰ্যকলাপ সহ্য নকৰে আৰু সন্ত্ৰাসবাদ দমনৰ বাবে কঠোৰ ব্যৱস্থা অব্যাহত ৰাখিব বুলি কেন্দ্ৰীয় গৃহ পৰিক্ৰমা ৰাজ্য মন্ত্ৰী নিত্যানন্দ ৰায়ে প্ৰকাশ কৰিছে। পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণক বৰ্বৰ কাৰ্য বুলি অভিহিত কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে অপাৰেচন সিন্দূৰৰ জৰিয়তে ভাৰতে পাকিস্তানক যোগ্য প্ৰত্যুত্তৰ দিলে আৰু দেশখনত থকা সন্ত্ৰাসবাদীৰ ঘাটিসমূহ ধ্বংস কৰিলে। মন্ত্ৰী

ৰায়ে নতুন দিল্লীত আজি ৰাষ্ট্ৰীয় সুৰক্ষা গাৰ্ডৰ আন্তঃৰাষ্ট্ৰীয় আলোচনাচক্ৰ উদ্বোধন কৰি এইদৰে কয়। সন্ত্ৰাসবাদক বিশ্বজোৰা শান্তি, প্ৰগতি আৰু বিকাশৰ আটাইতকৈ বৃহৎ ভাবুকি বুলি তেওঁ বৰ্ণনা কৰে। সন্ত্ৰাসবাদৰ বিৰুদ্ধে সকলো একেলগে ওলাই অহাত আৰু সন্ত্ৰাসবাদৰ পৰিকাঠামো ধ্বংস কৰাত মন্ত্ৰীগৰাকীয়ে গুৰুত্ব দিয়ে। শ্ৰী ৰায়ে কয়, যে সন্ত্ৰাসবাদে এতিয়া ৰূপ সলাইছে আৰু বিশ্ব সুৰক্ষাত ছাইবাৰ ভাবুকি নতুন প্ৰত্যাহ্বান হিচাপে থিয় দিছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতে দেশীয় অস্ত্ৰ নিৰ্মাণৰ বিকাশ সাধন কৰাৰ উপৰি সশস্ত্ৰ বাহিনীক আধুনিক কৰি গঢ়ি তুলিবলৈ সমৰ্থ হৈছে।

ooooooooo

জম্মু-কাশ্মীৰৰ জম্মু অঞ্চলত তাপ প্ৰবাহ অব্যাহত আছে। অঞ্চলটোত বিগত চাৰি বছৰত এইবাৰ তাপমান আটাইতকৈ বেছি হোৱা পৰিলক্ষিত হৈছে। পাঁচ খন জিলাত কালি তাপমানে অভিনেখ গঢ়ি ৪০ ডিগ্ৰী চেলচিয়াছৰ মাত্ৰ অতিক্ৰম কৰে। ছাম্বাত সৰ্বাধিক ৪৬ দশমিক ৬ ডিগ্ৰী চেলচিয়াছ তাপমান ৰেকৰ্ড হয়। জম্মু মহানগৰত কালিৰ দিনটোত তাপমান আছিল ৪৪ দশমিক ৩ ডিগ্ৰী চেলচিয়াছ। দেওবাৰে মহানগৰখনৰ তাপমাত্ৰাই ৪২ দশমিক ৭ ডিগ্ৰী চেলচিয়াছ অতিক্ৰম কৰিছিল। মা বৈষ্ণোদেৱী মন্দিৰৰ বেছ কেম্প হিচাপে পৰিচিত কাটৰাত ৪০ দশমিক ২ ডিগ্ৰী চেলচিয়াছ তাপমান ৰেকৰ্ড হয়। আনহাতে ৰামবান আৰু কাথুৱাত কালিৰ তাপমান আছিল ৪৩ দশমিক ২ ডিগ্ৰী চেলচিয়াছ। বতৰ বিজ্ঞান বিভাগে পাঁচ দিন ধৰি তাপপ্ৰবাহ অব্যাহত থকাৰ আগজাননী দি তাপমাত্ৰা প্ৰায় চাৰি ডিগ্ৰী চেলচিয়াছ বৃদ্ধি হোৱাৰ সম্ভাৱনা ব্যক্ত কৰিছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ আগজাননী অনুসৰি ৯ জুনৰ পৰা ১৩ জুনলৈকে জম্মু অঞ্চলত তাপ প্ৰবাহ অব্যাহত থাকিব। ইয়াৰ পৰিপ্ৰেক্ষিতত বিভাগে অঞ্চলটোৰ বাসিন্দা, বিশেষকৈ শিশু, বয়স্ক লোকা আৰু গৰ্ভৱতী মহিলাৰ ক্ষেত্ৰত বিশেষ সাৱধানতা অৱলম্বনৰ  আহ্বান জনাইছে।

ooooooooo

ভাৰতীয় মহাকাশচাৰী শুভাংশু শুক্লাক মহাকাশলৈ কঢ়িয়াই নিব লগা AXIOM-4 অভিযান বেয়া বতৰৰ পৰিপ্ৰেক্ষিতত সাময়িকভাৱে পিছুৱাই দিয়া হৈছে। ভাৰতীয় সময় অনুসৰি কাইলৈ সন্ধিয়া চাৰে ৫ বজাত  মহাকাশযানৰ উৎক্ষেপনৰ সময় নিৰ্ধাৰণ কৰা হৈছে। সামাজিক মাধ্যমৰ এটা পোষ্টত ভাৰতীয় মহাকাশ গৱেষণা সংস্থা, ইছৰ'ৰ অধ্যক্ষ ভি নাৰায়ণনে এই কথা প্ৰকাশ কৰে। এই অভিযানত ভাৰতৰ লগতে আমেৰিকা যুক্তৰাষ্ট্ৰ, প'লেণ্ড আৰু হাংগেৰীৰ একোগৰাকীকৈ মহাকাশচাৰী আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰলৈ উৰা মাৰিব। অভিযানকালত ভাৰতৰ শুভাংশু শুক্লাৰ লগতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ্ পেগি হুইট্চন, প'লেণ্ডৰ স্লাউজ উজনান্স্কি আৰু হাংগেৰীৰ তিবৰ কাপুৰে ৩১ খন দেশৰ প্ৰায় ৬০ টা বৈজ্ঞানিক অধ্যয়ন সম্পন্ন কৰিব। অভিযানকালত ভাৰতীয় মহাকাশ গৱেষণা সংস্থাৰ ভালেকেইটা গৱেষণা প্ৰকল্পও অন্তৰ্ভুক্ত কৰা হৈছে বুলি সংস্থাই প্ৰকাশ কৰিছে।

ooooooooo

অসমৰ সাম্প্ৰতিক বান পৰিস্থিতি পূৰ্বতকৈ উন্নত হৈছে। অৱশ্যে ৯ খন জিলাৰ ২১টা ৰাজহচক্ৰৰ ১ লাখ ৩৮ হাজাৰৰো অধিক লোক এতিয়াও বানৰ কবলত আছে। বানত আজি শ্ৰীভূমি জিলাত এজন লোকৰ মৃত্যু হয়। উল্লেখযোগ্য যে ৰাজ্যখনত বছৰৰ প্ৰথমটো বান আৰু ভূমিস্খলনত এতিয়ালৈকে ২৮ জন লোকে প্ৰাণ হেৰুৱাইছে। ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীয়ে বানপীড়িত অঞ্চলত উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধীকৰণৰ তথ্য অনুসৰি এতিয়াও ৪৩ টা আশ্ৰয় শিবিৰত

ছহেজাৰৰো অধিক লোকে আশ্ৰয় গ্ৰহণ কৰি আছে। ৰাজ্যখনৰ  নদীসমূহ বৰ্তমান বিপদসীমাৰ তলেৰে বৈ আছে আৰু এই পৰ্যন্ত কতো ভূমিস্খলন হোৱা নাই।

ooooooooo

কেন্দ্ৰীয় চৰকাৰে দেশৰ সীমান্ত অঞ্চলসমূহত পাকিস্তানৰ গোলাবৰ্ষণত ক্ষতিগ্ৰস্ত দুহেজাৰ ৬০ টা বাসগৃহ পুনৰ নিৰ্মাণৰ বাবে ২৫ কোটি টকাৰ অতিৰিক্ত পুঁজি মুকলি কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সম্পূৰ্ণৰূপে ক্ষতিগ্ৰস্ত প্ৰতিটো ঘৰৰ বাবে ২ লাখ টকাকৈ আৰু আংশিকভাৱে ক্ষতিগ্ৰস্ত প্ৰতিটো ঘৰৰ বাবে ১ লাখ টকাকৈ অতিৰিক্ত ক্ষতিপূৰণৰ কথা ঘোষণা কৰা বুলি গৃহ পৰিক্ৰমা মন্ত্ৰ্যালয়ে এটা বিবৃতিযোগে জানিবলৈ দিছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি এই সিদ্ধান্ত ক্ষিপ্ৰতাৰে কাৰ্যকৰী হোৱাটো নিশ্চিত কৰা হ'ব। পঞ্জাব সীমান্তৰ ক্ষতিগ্ৰস্ত ঘৰসমূহৰ বাবেও একে ক্ষতিপূৰণৰ ব্যৱস্থা কৰা হ'ব বুলি মন্ত্ৰ্যালয়ে প্ৰকাশ কৰিছে।

ooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰত আশাৰ কিৰণ হিচাপে পৰিগণিত হৈছে বুলি কেন্দ্ৰীয় সংস্কৃতি মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটে প্ৰকাশ কৰিছে। মোদী চৰকাৰৰ ১১ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে চেন্নাইত আজি সংবাদ মাধ্যমৰ আগত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰত এখন নিৰাশাৰ ৰাষ্ট্ৰৰ পৰা উজ্বল ভৱিষ্যতলৈ ৰূপান্তৰিত হৈছে। তেওঁ কয়, যে যোৱা ১১ বছৰত দেশৰ পৰা দৰিদ্ৰতা নিৰ্মূল কৰা হৈছে আৰু ভাৰতে সেৱা, সুশাসন আৰু জনসাধাৰণৰ কল্যাণৰ জৰিয়তে অমৃতকালত প্ৰৱেশ কৰাৰ দিশত উন্নয়নৰ নতুন যাত্ৰা আৰম্ভ কৰিছে।

ooooooooo

পঞ্জাব চৰকাৰে ৰাজ্যখনত যুৱচামক ড্ৰাগছৰ আসক্তিৰ পৰা মুক্ত কৰাৰ উদ্দেশ্যে যাৱতীয় সহযোগিতা আৰু পৰামৰ্শ প্ৰদানৰ বাবে তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ ২০০ গৰাকী মনোৰোগ বিশেষজ্ঞ নিয়োগ কৰাৰ সিদ্ধান্ত লৈছে। পঞ্জাব চৰকাৰে ৰাজ্যখনৰ পৰা ড্ৰাগছ নিৰ্মূল কৰাৰ বাবে আৰম্ভ কৰা **যুধ নাছিয়ান বিৰুধ** অৰ্থাৎ ড্ৰাগছৰ বিৰুদ্ধে যুঁজ কাৰ্যসূচীৰ উপ-সমিতিয়ে এই সিদ্ধান্ত গ্ৰহণ কৰিছে। ইয়াৰ জৰিয়তে ড্ৰাগছৰ ওপৰত নিৰ্ভৰশীল ৰোগীসকলক পাৰ্যমানে মানসিক আৰু আৱেগিক সমৰ্থন প্ৰদানেৰে তেওঁলোকক এই আসক্তিৰ পৰা মুক্ত কৰাৰ চেষ্টা কৰা হ'ব। মনোৰোগ বিশেষজ্ঞসকলক ছমাহৰ বাবে নিযুক্তি দিয়া হ'ব। ৰাজ্যখনৰ বিত্ত মন্ত্ৰী হৰপাল সিং ছেমাই কয়, যে এনে ৰোগীসকলৰ চিকিৎসাৰ বাবে চৰকাৰী হাস্পতাল আৰু ড্ৰাগছ আসক্তি নিৰ্মূলকৰণ কেন্দ্ৰসমূহত বিছনাৰ সংখ্যা বৃদ্ধিকে ধৰি অন্যান্য প্ৰাথমিক ব্যৱস্থাসমূহ গ্ৰহণ কৰা হৈছে।

ooooooooo

কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে কয়, যে বিজ্ঞানী, উদ্ভাৱক আৰু নীতি নিৰ্মাতাসকলে একেলগ হৈ দুৰ্বল আৰু পিছপৰা শ্ৰেণীৰ সৱলীকৰণৰ ক্ষেত্ৰত এটা পৰিস্থিতিতন্ত্ৰ গঠনৰ বাবে এয়াই হৈছে উপযুক্ত সময়। হায়দৰাবাদত যুৱ বিজ্ঞানীসকলৰ আন্তঃৰাষ্ট্ৰীয় সমাৰোহ তথা গ্ল'বেল ইয়ং একাডেমীৰ বাৰ্ষিক সাধাৰণ বৈঠকত অংশ লৈ শ্ৰী প্ৰধানে বিজ্ঞানীসকলক সহযোগিতাৰে কাম কৰিবলৈ আহ্বান জনায়। ভাৰতীয় সভ্যতাৰ পৰম্পৰাত আলোকপাত কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে বসুধৈৱ কুটুম্বকম-এখন পৃথিৱী এটা পৰিয়াল আৰু এটা ভৱিষ্যৎ কেৱল এটা শ্লোগানেই নহয়, বৰঞ্চ ই হৈছে ভাৰতৰ বাবে জীৱন নিৰ্বাহৰ এটা পথ।

তেওঁ কয়, যে আন্তঃৰাষ্ট্ৰীয় সৌৰ সহযোগিতা, মিছন লাইফ আৰু ভাৰতীয় বিজ্ঞান আৰু গৱেষণা ফেলোশ্বিপৰ দৰে ভাৰতৰ আন্তঃৰাষ্ট্ৰীয় বিজ্ঞান সক্ৰিয়তাসমূহে বিশ্ব বন্ধুত্বৰ ভাৱনাক প্ৰতিফলিত কৰে।

০০০০০০০০০

ভাৰতৰ পুৰুষ দলটো আজি ২০২৭ চনৰ এ এফ চি এছিয়ান কাপ ফুটবল প্ৰতিযোগিতাৰ বাবে যোগ্যতা নিৰ্ণয়কাৰী চূড়ান্ত পৰ্যায়ৰ এখন খেলত হংকঙৰ মুখামুখি হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন হংকঙৰ কাই টাক ষ্টেডিয়ামত বিয়লি চাৰে ৫ বজাত আৰম্ভ হ'ব।

০০০০০০০০০

উজবেকিস্তানৰ তাছখণ্ডত আজিৰে পৰা হ'বলগীয়া ১৯ বছৰ অনুৰ্ধৰ কাৰা ভলিবল চেম্পিয়নশ্বিপত অংশগ্ৰহণৰ বাবে ভাৰতীয় পুৰুষ দলটো সাজু হৈছে। ভাৰতে আজি প্ৰথমখন খেলত ইৰানৰ বিৰুদ্ধে আৰু কাইলৈ কিৰগিজস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ছিনিয়ৰ পুৰুষ ৰাষ্ট্ৰীয় দলৰ প্ৰশিক্ষক ছাৰ্বিয়াৰ ড্ৰাগন মিহাইল'ভিকে ১৯ বছৰ অনুৰ্ধৰ দলটোকো প্ৰশিক্ষণ দিছে। মধ্য এছিয়া ভলীবল এছ'চিয়েছন ছেম্পিয়নশ্বিপ, কাৰা হৈছে এই খণ্ডৰ আটাইতকৈ গুৰুত্বপূৰ্ণ যুৱ ভলীবল প্ৰতিযোগিতা। ইয়াত ইৰান, উজবেকিস্তান আৰু কিৰগিজস্তানৰ দৰে শক্তিশালী দলসমূহে অংশগ্ৰহণ কৰে।

০০০০০০০০০

সমাপ্ত